**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

———দেশজুৰি আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে নতুন দিল্লীৰ ৰাজঘাটৰ সমাধিস্থলীকে ধৰি বিভিন্ন স্থানত আজি সৰ্বধৰ্মীয় প্ৰাৰ্থনা, শ্ৰদ্ধাঞ্জলি জ্ঞাপন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গান্ধী জয়ন্তীৰ দিনটোত দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কয় যে, গান্ধীজীয়ে অহিংসাক জীৱনৰ ব্ৰত কৰি জাতি প্ৰেম, মানৱ প্ৰেম, মানৱ সেৱাৰ আদৰ্শৰে দেশবাসীক আজিও উদ্বুদ্ধ কৰি আহিছে।

গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি আজি কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্থানীয় উদ্যোগীৰ প্ৰতি সমৰ্থন আগবঢ়াই স্থানীয়ভাৱে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ জাগৰণৰ বিপণীৰ পৰা খাদী বস্ত্ৰ ক্ৰয় কৰে। তেওঁৰ লগত সাংসদ ৰামেশ্বৰ তেলী আৰু বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

ইপিনে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁক স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ লগতে শাসক বিৰোধীৰ বহুকেইজন নেতা-মন্ত্ৰীয়েও দিল্লীৰ বিজয় ঘাটৰ নেতাগৰাকীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো জয় জোৱান জয় কিষাণ ধ্বনিৰে দেশৰ কৃষকৰ লগতে জনগণক উদ্বুদ্ধ কৰা স্বাধীন ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জন্ম দিৱসত শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাত কয় যে এগৰাকী প্ৰকৃত দেশসেৱক শাস্ত্ৰীৰ আদৰ্শ আৰু মহান কৰ্মৰাজি পৰৱৰ্তী প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্পৰ আঁচনিৰ উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰে। অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াত সংকুচিত জৈৱ গেছ প্ৰকল্প স্থাপনৰ ব্যৱস্থা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডলৈ আগবঢ়োৱা বিনিয়োগ আৰু ব্যক্তিগত উদ্যমীৰ সৈতে সহযোগিতাৰে ৰূপায়ণ কৰিবলগীয়া আঁচনিৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৱে এই প্ৰকল্পকেইটা স্থাপনৰ ব্যৱস্থা কৰিছে।

নগৰীয়া গোটা আৱৰ্জনাক জৈৱ গেছলৈ ৰূপান্তৰৰ জৰিয়তে অৰ্থনীতি, পৰিৱেশ তথা সমাজৰ প্ৰতি বৰঙণি আগবঢ়োৱাৰ উদ্দেশ্যৰে ৰূপায়ণ কৰিবলৈ লোৱা এই আঁচনিৰ জৰিয়তে অইল ইণ্ডিয়া লিমিটেডে দৈনিক ১২৫ টন আৱৰ্জনা নিষ্কাশণ কৰি তাৰ পৰা দিনটোত প্ৰায় ২ টন পৰিমাণৰ সংকুচিত জৈৱ গেছ উৎপাদন কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। এই গোটসমূহে একেলগে ৫০০ টন পৌৰ নিগমৰ আৱৰ্জনাক প্ৰতিদিনে ৮ টন পৰিমাণৰ সংকুচিত জৈৱ গেছ উৎপাদন কৰিব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিশেষ পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনক স্বচ্ছ কৰি তোলাৰ দিশত সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে।

উল্লেখযোগ্য যে এই প্ৰকল্পৰ জৰিয়তে প্ৰদূষণৰ পৰিমাণ উল্লেখনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে কৰ্ম সংস্থাপনৰো সুযোগ বৃদ্ধি পাব। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত আজি উদ্বোধনী অনুষ্ঠানত অসমৰ চাৰিওটা স্থানতে বহুকেইগৰাকী জ্যেষ্ঠ চৰকাৰী বিষয়াৰ লগতে উদ্যোগী তথা সমাজৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

0000000

আজি মহালয়া। আজিৰ দিনটোতে পিতৃপক্ষৰ সমাপ্তি ঘটি দেৱীপক্ষৰ সূচনা হয়। কাইলৈৰপৰা নৱৰাত্ৰি পালন কৰা হ'ব। আজিৰ দিনটোতে দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস প্ৰচলিত আছে। ইয়াৰ লগে লগেই দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হয়। আজি মহালয়াৰ দিনা পুৱাতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে শ্ৰাদ্ধ তৰ্পন কৰে। এই উপলক্ষে আজি নৈৰ ঘাটসমূহত অগণন লোকৰ সমাগম পৰিলক্ষিত হয়। ইপিনে, দেৱী দুৰ্গাৰ ধৰালৈ আগমনৰ বিশ্বাসক কেন্দ্ৰ কৰি আজি পুৱাৰে পৰা দেৱীৰ স্তুতিৰে মহিষমৰ্দিনীক ধৰালৈ আদৰণি জনোৱা হয়। যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, শিলচৰ, গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰ দিনটোত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। ঠায়ে ঠায়ে ধৰ্মীয় শোভাযাত্ৰাৰ আয়োজন কৰা হয়। শাৰদীয় দুৰ্গা পূজাৰ বাবে আজিৰ দিনটোৰ পৰাই ব্যাপক প্ৰস্তুতি আৰম্ভ হয়। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুৰ্গা পূজা সমিতিসমূহে শাৰদীয় পূজাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। অহা ৯ অক্টোবৰ, বুধবাৰে সন্ধিয়া দেৱী দুৰ্গাক ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা হ'ব। এই উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তোলাত ব্যস্ত হৈ পৰিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

যোৰহাটৰ গড়আলিত মহালয়া উপলক্ষে আজি পুৱতি নিশা ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহুৱা খেলপথাৰত আজি পুৱাৰেপৰা মহালয়া উপলক্ষে বহুলোকৰ সমাগম হয়। এই উপলক্ষে সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

0000000

**সমাপ্ত**